জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৬১/২০২০

# ৰাজ্য চৰকাৰৰ অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰীসকলৰ বাবে বিশেষ আশাৰ ৰেঙণি কঢ়িয়াই মুখ্যমন্ত্ৰীয়ে উন্মোচন কৰিলে ‘কৃতজ্ঞতা’ শীৰ্ষক অনলাইন পেঞ্চন দাখিল আৰু ট্ৰেকিং পোৰ্টেল

**দিছপুৰ, ১ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ৰাজ্য চৰকাৰৰ পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত ৰাজ্য চৰকাৰৰ পেঞ্চনাৰসকলৰ সহায়ক হোৱাকৈ ‘কৃতজ্ঞতা’ শীৰ্ষক অনলাইন পেঞ্চন দাখিল আৰু ট্ৰেকিং পোৰ্টেলৰ আনুষ্ঠানিকভাৱে শুভ উন্মোচন কৰে। উল্লেখ্য যে অনলাইন পেঞ্চন দাখিল আৰু ট্ৰেকিং পোৰ্টেল ‘কৃতজ্ঞতা’ হ’ল দেশৰ ৰাজ্যসমূহৰ ভিতৰত এই ব্যৱস্থাৰ প্ৰথম পোৰ্টেল। এই পোৰ্টেলৰ জৰিয়তে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলে এতিয়াৰে পৰা অৱসৰ গ্ৰহণৰ লগে লগে পেঞ্চন লাভৰ সুবিধা লাভ কৰিব। এই পোৰ্টেলত পেঞ্চনৰ নথি-পত্ৰ অনলাইনযোগে জমা দিয়াৰ ব্যৱস্থাৰ লগতে এই প্ৰক্ৰিয়াৰ শেহতীয়াস্থিতিৰ সম্পূৰ্ণ তথ্য পেঞ্চনাৰ গৰাকীয়ে লাভ কৰি থাকিবলৈ সক্ষম হ’ব। ভাৰত চৰকাৰৰ ‘ভৱিষ্য’ শীৰ্ষক পোৰ্টেলৰ দৰে ৰাজ্যখনৰ পেঞ্চনাৰ সকলেও অনলাইনৰ জৰিয়তে এই প্ৰক্ৰিয়া সুচাৰুৰূপে লাভ কৰিবলৈ সক্ষম হ’ব। প্ৰথম পৰ্যায়ত এই ব্যৱস্থা পাইলট প্ৰকল্প হিচাপে কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ অধীনৰ শিক্ষক আৰু কৰ্মচাৰীসকলৰ বাবে আজি শুভাৰম্ভ কৰা হৈছে যদিও পৰ্যায়ক্ৰমে এই ব্যৱস্থাৰে ৰাজ্যখনৰ সকলো অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰীকে সামৰি লোৱাৰ পদক্ষেপ লোৱা হ’ব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে পেঞ্চন লাভৰ নতুন ব্যৱস্থাৰ দ্বাৰা অৱসৰ লাভ কৰা বিষয়া-কৰ্মচাৰীসকল উপকৃত হ’ব পাৰিব। অৱসৰৰ পিছত পেঞ্চনৰ বাবে সংগ্ৰাম কৰিবলগীয়া হোৱাটো বেদনাদায়ক। সমগ্ৰ কৰ্মজীৱন জনসাধাৰণৰ সেৱাত ব্ৰতী এই সকল কৰ্মচাৰীৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপনৰ বাবে ‘কৃতজ্ঞতা’ পোৰ্টেল আৰম্ভ কৰা হৈছে। কৃতজ্ঞতা নামটোৰ লগত শ্ৰদ্ধা, ভক্তি জড়িত হৈ আছে। কাৰণ কৰ্মচাৰীসকলে কৰ্মজীৱনত জনসাধাৰণক নিষ্ঠা, সততা আৰু আন্তৰিকতাৰে সেৱা আগবঢ়ায়। ৰাজ্য চৰকাৰে এই বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰি অৱসৰৰ পিছতেই যাতে পেঞ্চন লাভ কৰাটো সু-নিশ্চিত কৰিব পৰা যায় তাৰ বাবে নতুন পোৰ্টেলটোৰ প্ৰাৰম্ভণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে সামাজিক দায়বদ্ধতাৰে ভাল মানুহ গঢ়াৰ যাত্ৰাত শিক্ষক-শিক্ষয়িত্ৰীসকলে যথেষ্ট ত্যাগ আৰু সেৱাৰ মানসিকতাৰে নতুন প্ৰজন্মক দিশ নিৰ্দেশনা দি সমাজ জীৱনলৈ আগবঢ়োৱা সেৱাক সমাজে শ্ৰদ্ধাৰে মনত ৰাখিব লাগে। নিষ্ঠাৰে সেৱা আগবঢ়োৱা সকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিলে আন্তৰিকতা গঢ় লয় আৰু ভাল কামৰ প্ৰতি জনসাধাৰণৰ আস্থা বৃদ্ধি হয় বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে সমাজখনত এজনৰ প্ৰতি আন এজনৰ কৃতজ্ঞতা থাকিব লাগে। তেতিয়াহ’লে প্ৰমূল্যবোধৰ ভেটি শক্তিশালী হয়। মহান মনীষীসকলে ভাল কৰ্মৰ জৰিয়তে ভৱিষ্যৎ প্ৰজন্মৰ বাবে আদৰ্শ

গঢ়ি থৈ গৈছে। তেওঁ কয় যে জীৱনক সৰ্বাংগসুন্দৰকৈ গঢ়ি তুলিব লাগে। ভাল কামক মানুহে অনুসৰণ কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে জ্যেষ্ঠ আৰু কণিষ্ঠৰ মাজত আন্তৰিক সম্পৰ্ক স্থাপনৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ভি এছ ভাস্কৰে আদৰণি ভাষণ দিয়া আজিৰ এই অনুষ্ঠানত পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰীয়েও ভাষণ প্ৰদান কৰে। ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰৰ উপ সঞ্চালক সুচিত্ৰা প্যাৰেলালে কৃতজ্ঞতা পোৰ্টেল সম্পৰ্কত এক প্ৰেজেণ্টেশ্যন আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে 'কৃতজ্ঞতা' পোৰ্টেল আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীক পি পি অ' বিতৰণ কৰে। অনুষ্ঠানত বিধায়ক তেৰচ গোৱালা প্ৰমুখ্যে এন আই চিৰ বিষয়াসকল, পেঞ্চনাৰসকল উপস্থিত থাকে।

**পুঃ ডেঃ / বঃভাঃ**
**১/১০/২০২০**